বি. বৰুৱাৰ ২০ তাৰিখৰ ড্ৰাফ্‌ট অনুসাৰে হাজী খানু মাশাক ৩,৪০০ টকা দিলো। বেঙ্গল বেঙ্কৰ চেকৰ নম্বৰ ৮৯। পুৱা শিৱপুৰ ইয়াৰ্ডলৈ গৈ স্লিপাৰ মেলাই দিলো। বেঙ্গল নাগপুৰ পাৰ্শি ক্ষীৰোদ পালৰ মিলক দুখন শাল স্লিপাৰ (১২×৭×৫) ৫ টকাকৈ বেচিলো।

**ছেপ্টেম্বৰ ২১**

কিশোৰী বাবু তেওঁৰ ল'ৰাৰ বেমাৰৰ কাৰণে আজি অফিচলৈ নাহিল।

**ছেপ্টেম্বৰ ২৩**

বৰুৱা আহিবৰ কথা আছিল। নাহিল। পুৱা শিৱপুৰলৈ গ'লো। মিছ বাৰ্নি. মৰ বিয়ালৈ লেন্ডোলেটখন পঠিয়াই দিলো। ৫ টকাৰ এটা প্ৰেজেন্টো দিলো। ক্ষীৰোদ বাবুলৈ এখন চিঠি দিলো। জোৱালা প্ৰসাদৰপৰা ইয়াৰ্ডত ১৬১+৫০ টকা পালো। গধুলি বুঢ়া দাবোৱানে ইয়াৰ্ডৰপৰা ৫৯৷৷• আনি দিলে।

**ছেপ্টেম্বৰ ২৪**

আজিও বৰুৱা নাহিল। পুৱা বামাচৰণ বাবু বালীৰপৰা আহি মোৰে সৈতে দেখা কৰিলে। মোৰ অফিচৰ ব্ৰাউন বেৰিখন জি. চি. দেৰপৰা অনা হ'ল। এখন প্লাছ ভাগিছিল; মেৰামত কৰিবলৈ দিয়া হ'ল। কিন্তু মিলিংটো বাৰ্নিঃশ কৰা হোৱা নাই। শ্ৰীদাম বাবুৰে সৈতে জি. চি. দেক অফিচত দেখা কৰি ক'লো। হংকং বেঙ্কত ১০০ টকা দি ২০০ আনি নেশ্যনেল বেঙ্কত টিকৰ হিছাপত জমা দিলো।

**ছেপ্টেম্বৰ ২৫**

ই. বি. এছ্. আৰৰ কেঃশ অফিচে ১০০ টন কাঠৰ দাম দিলে। কেদাৰনাথ নন্দী তিনিখন চকি প্ৰতিখনত ২৷৷• কৰি আনি দিলে। ৰায় লাল আবিৰচাঁদক ড্ৰাফ্‌ট দেখি ২,০০০ টকা দিলো।

**ছেপ্টেম্বৰ ২৬**

পুৱাতে ইয়াৰ্ডলৈ গৈ কিশোৰী বাবুক তাৰপৰা লৈ আহিলো। যোৱা কালি ছিমছন কোম্পানীৰ যিখন চেক পাইছিলো, সেইখন নেশ্যনেল বেঙ্কত জমা দিলো। হংকং বেঙ্কৰপৰা ১০০ টকা আনিলো। বুট বাবুৰ বাবে ৰাধা বজাৰত তিনিটা স্টীল ট্ৰাঙ্কৰ অৰ্ডাৰ দিলো। কাইলৈ ৰাজগঙ্গাপুৰলৈ পঠাব লাগিব। মেকেন্সি লায়ালৰ মিস্টাৰ মাৰ্শ্বেলৰ লগত দেখা কৰিলো। তেওঁ মোক ভালদৰে receive কৰিলে।

ছেপ্টেম্বৰ ২৭

২৫ তাৰিখে বি. বৰুৱাই ঝাড়সোগড়াৰপৰা পঠোৱা ড্ৰাফ্‌টখন অনুসৰি বেঙ্গল বেঙ্কৰ ২,০০০৲ টকাৰ এখন চেক দিলো। পুৱা অতুল বাবুৰ লগত শিৱপুৰলৈ গ'লো।

ছেপ্টেম্বৰ ২৮

ঋতু বাবুৰ প্ৰেছৰপৰা ২৫০-খন 'লিতিকাই' পালো। এখন এইচ্. চি. গোস্বামীলৈ, এখন চি. কে. আগৰৱালালৈ, এখন 'বন্তিলৈ', এখন *Times of Assam*-অলৈ আৰু এখন শ্ৰীনাথ ককাইদেউলৈ পঠালো। কাইলৈ মোৰ পৰিবাৰ মিছেছ চৌধুৰীৰ লগত বতাহ-পানী সলনিৰ বাবে বোটত যাব। বি. বৰুৱাই টেলিগ্ৰাম কৰি জনালে, তেওঁৰ অসুখ ভয়ঙ্কৰভাৱে relapse কৰিছে; ঝাড়সোগড়ালৈ মোক মাতিছে। কাইলৈ যাম।

ছেপ্টেম্বৰ ২৯

মিছেছ বেবিক লৈ এ. চৌধুৰীৰে সৈতে এখন বজৰা নাও লৈ নৈত হাৱা বদলি কৰিবৰ কাৰণে ওলাল। তেওঁৰ লগত আয়া আৰু জিতু লগুৱা ওলাইছে। মই তেওঁলোকক আহাৰীটোলা ঘাটত দুপৰীয়া ১১ বজাত বিদায় দি আহিলো। তাৰ পাছত মই হাওড়া স্টেশ্যনলৈ আহি ঝাড়সোগড়াৰ গাড়ীত উঠিলো। ৰাতি ১২ বজাত পালোগৈ। দেখিলো, বি. বৰুৱা বহুত ভালে আছে।

ছেপ্টেম্বৰ ৩০

ঝাড়সোগড়াত।

অক্টোবৰ ১

ৰাতি আঠ বজাত মেইলত উঠিলো।

অক্টোবৰ ২

পুৱা ৯ বজাত হাওড়া পালো।

অক্টোবৰ ৫

মিছেছ, বেবি আৰু আনবোৰ উভতি আহিল। মই ওৰে দিনটো তেওঁলোকৰ লগত ষ্টিমাৰত আছিলো। বজৰজৰপৰা গৈছিলো।

অক্টোবৰ ৬

বি. বৰুৱা আসানসোলেদি ৰাতি পালেহি।

অক্টোবৰ ৮

বি. বৰুৱা ৭·১০-ত মাদ্ৰাজ মেইলত কটকলৈ গ'ল।

অক্টোবৰ ৯

মিছেছ বেবি আৰু জিতুক লগত লৈ আকৌ হুগলীৰ উজনিলৈ গ'ল। মই প্ৰিন্সেপ ঘাটৰপৰা কেলিডোনিয়া ডকলৈকে তেওঁলোকৰ লগত গ'লো। তাতে নামিলো। মিস্টাৰ গ্ৰিমলিয়ে মোক মাতিছিল, তেওঁক দেখা কৰিবলৈ গ'লো। ই. বি. এছৰ ছাহাব মিস্টাৰ হাইডে ৫০ডাল টিক টিম্বাৰ পাছ কৰিলে পুৱা। মই তেওঁক শিয়ালদহৰপৰা লগতে আনিছিলো।

অক্টোবৰ ১১

মই ৰাতিপুৱা ৫·৫৫ মিনিটত শিয়ালদহলৈ গৈ ৰাণাঘাটৰ ট্ৰেইন ধৰিলো। মিস্টাৰ এ. চৌধুৰীয়ে তাঁৰ কৰি ৰাণাঘাটৰ আয়েৰটোলা ঘাটত তেওঁলোকেৰে সৈতে স্টিমাৰ-যাত্ৰাত যোগ দিবলৈ কৈছে। কালিয়ে তাঁৰখন পাইছিলো। মই এখন নাৱত উঠি আয়েৰটোলা ঘাটত নৈ পাৰ হৈ তেওঁলোকৰ স্টিমাৰখন দেখিলে। স্টিমাৰখন ধৰি উঠিলোগৈ। গধূলি শান্তিপুৰ ঘাটত স্টিমাৰে লঙ্গৰ পেলালে। ৰাতি তাতে থাকিলো।

অক্টোবৰ ১২

দুপৰীয়া প্ৰায় ১১ বজাত শান্তিপুৰ এৰি চন্দননগৰলৈ আহি স্টিমাৰে লঙ্গৰ পেলালে ঠিক গবৰ্নৰৰ প্ৰাসাদৰ সমুখত। মিস্টাৰ চৌধুৰীৰ বেমাৰ হ'ল। মই ৰাতি ডাক্তৰ দয়াল বাবুক আনিলো। চৌধুৰীয়ে অনেকাখিনি সকাহ পালে।

অক্টোবৰ ১৩

চৌধুৰী একেবাৰেই আৰোগ্য হ'ল। ৰাতিপুৱা আহি কলিকতা পালো। ঘৰলৈ আহি ভাত খালো। ইয়াৰ পাছত বাৰ বজাত মিছেছেৰে সৈতে ৩৬নং হেবিছন ৰোডৰ ক্ষীৰোদ বাবুৰ ঘৰলৈ গ'লো। তিনি বজাত বৰুৱা কটকৰপৰা পালেহি।

অক্টোবৰ ২১

বৰুৱা বোম্বে মেইলত আসানসোললৈ গ'ল।

অক্টোবৰ ২৪

গোপীনাথ বৰুৱা ঝাড়সোগড়াৰপৰা অলঙ্কাৰ কিনিবলৈ আহিল। বি. বৰুৱাই বেৰাৰ—ক দিব।

অক্টোবৰ ২৫

বাধা বজাবৰ আনন্দচন্দ্ৰ ঘোষৰপৰা কালিয়নে ঘড়ী আৰু চেইন আনিলো; ক'লো, পছন্দ নহ'লে ঘূৰাই দিম। গোপী বাবুৰ হাতত পঠালো। তেওঁৰ লগত আজনেশিয়া (?) পঠালো। তেওঁ মেইলত উভতি গ'ল।

অক্টোবৰ ২৬

গোপী নামৰ চাকৰটো ঝাড়সোগড়ালৈ বৰুৱাৰ ওচৰলৈ গৈছিল তাক কামত ৰাখিবলৈ খাটিব ধৰিবলৈ। পুৰা পালেহি ঘূৰি। মহীয়ে এখন চিঠি দিছে তাক ৰাখিবলৈ ধৰি। সি তাৰপৰা এটিন ঘিউ আনিছে। তাক মই মহীৰ কথাত ৰাখিলো। সি কামত ধৰিছে।

অক্টোবৰ ২৭

প্ৰজ্ঞাই মোৰ জন্মদিন পাতিলে। ক্ষীৰোদ বাবু আৰু তেওঁৰ পৰিয়ালৰ সকলোকে নিমন্ত্ৰণকৈ খুৱালে।

অক্টোবৰ ২৮

বৈঠকখানা হাটৰপৰা এটা স্পেনিয়েল কুকুৰ কিনি আনিলো। দাম ৬৲ টকা। পুৰা হাট বহে। ক্ষীৰোদ বাবুও গৈছিল। বসু মোল্লাই পুৰা মোৰ লগত দেখা কৰিলে।

অক্টোবৰ ৩০

বালগোবিন্দ মালী ঘৰলৈ গ'ল। তাৰ সলনি তাৰ ভায়েকক ৰাখিলো। তাৰ টকা সকলো আদায় দিলো।

অক্টোবৰ ৩১

বেঙ্গল বেঙ্কৰপৰা ৫,০০০৲ টকা অনা হ'ল। আৰু ২০০৲ টকা আনিলো। ২০৲ টকাৰ এখন চেক ক্ষীৰোদচন্দ্ৰ ৰায়চৌধুৰীৰ হিছাপত কালীকৃষ্ণ প্ৰামাণিকক দিলো হেন্ডনোট লেখাই ৰাব টকা সুদত। বুক-ছেলাৰ গুৰুদাস চাটাৰ্জিৰপৰা 'আমিষ ও নিৰামিষ আহাৰ'ৰ বেচৰ বাবদ ২০৲ টকা পালো। ক্ষীৰোদ বাবুও মোৰ লগত দোকানলৈ গৈছিল।

**নবেম্বৰ ১**

৫,০০০, টকাৰ ৰূপ আনি ঝাড়সোগড়ালৈ নন্দকিশোৰৰ হাতত পঠালো। তাৰ লগত বামু নামৰ চাকৰটোও গ'ল।

**নবেম্বৰ ২**

ই. বি. আৰৰ মিস্টাৰ হাইডে আজি পুৱা ১০০ লগ আৰু অৰ্ডাৰৰ ১০০ টন স্লিপাৰ পাছ কৰিলে। এছ. কে. লাহিড়ীয়ে ৫খন 'আমিষ ও নিরামিষ আহার' বেচিবৰ কাৰণে ৰাখিছিল; আজি তেওঁৰ কমিছনখিনি বাদ দি বাকী টকাটো দিলে ৮৷৷৹। চিটি বুক ছোচাইটিৰপৰাও ৫খন কিতাপৰ দাম ৮৷৷৹ আদায় হ'ল। মই দুই ঠাইতে আৰু পাঁচ কপিকৈ দি আহিলো। জ্ঞান হালদাৰক কপি দিছিলো; কমিছন বাদে দুখনৰ দাম ৩৷৴৫ দিলে; এতিয়া তিনি কপিৰ দাম পাবলৈ বাকী থাকিল। সত্যনাথ বৰা গুৱাহাটীৰপৰা আহি মোক দেখা কৰিলে। মই তেওঁক চাহ-বিস্কুটেৰে অভ্যৰ্থনা কৰি পাছত গাড়ীৰে কলিকতা পোৱাই দিলো।

**নবেম্বৰ ৩**

পুৱাতে ক্ষীৰোদ বাবু কটকলৈ যাবলৈ ওলাল। মই তেওঁক হাওড়া স্টেশ্যনত আগ বঢ়াই দিলোগৈ। মোৰ অফিচৰ ব্ৰাউনবেৰিখন পাই জি. চি. দেক তাৰ আঁৰবোৰ দেখুৱাই দিলো। তেওঁৰ মানুহে তেতিয়া তেতিয়াই সকলো ঠিক কৰি গাড়ীত চৰ্বি লগালে। গধূলি ৪৷২ ফকিৰচাঁদ মিত্ৰৰ লেনত উপেন্দ্ৰনাথ বৰুৱাৰ লগত দেখা কৰিলোগৈ। মোক তেওঁ নিজৰ কিতাপ উপহাৰ দিলে। প্ৰভাক কেইটামান কেনা (?) উপহাৰ দিলো। নন্দকিশোৰ উভতি আহিল।

**নবেম্বৰ ৪**

পুৱা পোৰ্ট কমিছনাৰ মিস্টাৰ পন্টন আৰু মিস্টাৰ বেনেট টিক অৰ্ডাৰৰ পঞ্চাশটা লগৰ ৩৪টা পাছ কৰিলে। জেশ্বপ কোম্পানীৰ ছাহাবে ৬১১ বি. জি.-ৰ অৰ্ডাৰ দিলে; তাৰে কিছুমান delivery দিয়া হ'ল। কেৰাণী কিশোৰী বাবু চাৰি দিন অনুপস্থিতিৰ পিছত আজি কামলৈ আহিছে। নগেন মেতৰক তাৰ দৰ্মহা সম্পূৰ্ণ আদায় দিলো। তাৰ সলনি এটা নতুন মেতৰ মকৰল কৰিলো। গণেশ আসানসোলৰপৰা আহিল; এই ঘৰৰ প্লেন-এস্টিমেট লৈছে। নেশ্যনেল বেঙ্কৰপৰা ৫৫০, টকা আনিলো—গ্ৰান্টৰ কাৰণে ৫০০, আৰু বেনেটৰ বাবে ৫০,।

**নবেম্বৰ ৫**

আবেলি ২·৩ মিনিটত বি. আই. ৰেলৱেৰ এজন ইউৰোপিয়ান এছিস্টেন্ট

আহি ২৩টা টিক স্কোৱাৰ পাছ কৰিলে। লিস্টাৰ পেটাৰ্ছনে দিয়া অৰ্ডাৰ এয়া তাৰ লগৰে।

পুৱাতে গৈ মিস্টাৰ গ্ৰান্টক ৫০০৲ টকা আৰু বেনেটক ৫০৲ টকা দিলো। ইয়াৰ্ডত বি. চি. স্কোৱাৰ বেচাৰ কাৰণে ৮১৲ টকা আৰু গধূলি ১৩৷৷• অনা পালো।

**নবেম্বৰ ৬**

লেন্ডোলেটখন ওভতাই দিলে। জি. চি. দেই তাত চৰ্বি লগাই অ'তালে। ১৯০১ ছনৰ অক্টোবৰৰ হিছাপটো শেষ কৰা হ'ল। পাঙখাৰলাকা ডিছমিছ কৰি এটা ওড়িয়া বেহেৰা ৰাখিলো।

**নবেম্বৰ ৭**

পুৱা শিৰপুৰলৈ গ'লো। কিশোৰী বাবুৰ লগত পোৰ্ট কমিছনাৰ ছাহাব পন্টন আৰু লুইছ ১০০ লগৰ টেন্ডাৰৰ বাবে দেখা কৰিলেগৈ। ৯ বজাৰ সময়ত তাৰপৰা উভতি আহি দেখিলো, বেবিৰ বাঁও হাতৰ এটা আঙুলি দুৱাৰৰ চেপা খাই চেপেটা হৈ গৈছে। ভীষণ অৱস্থা। ডাক্তৰ মাতিছিলো যদিও মই তেতিয়াই কেম্পবেল হস্পিটাললৈ লৈ গ'লো। আস্পতাললৈ যাওঁতে বাটত ডাক্তৰ কে. এন্. দাসৰ লগত দেখা হ'ল। এখন ডাক্তৰখানালৈ নি তেতিয়াই তেওঁ আঙুলিটো ড্ৰেছ কৰি দিলে। মই আৰু পৰিবাৰৰ ভীষণ চিন্তা হৈছিল। ছোৱালীজনীয়ে বেয়াভাৱে কষ্ট পাইছিল। হে ভগৱন্ত, আমাৰ কি ভয়ানক বিপদ!

**নবেম্বৰ ৮**

মিছেছ্ জে. এন্. সেনে 'অশোক' নামৰ এখন কিতাপ লেখি ছপাইছে। সাধু বাবুৱে মোক ৩৩২খন কিতাপ মোক দিলেই। জাৰ্ডিনেৰে সৈতে বৰ লৰালৰিকৈ জি. বি.-ৰ দুখন ইন্ভইচ কিনিলো। বিপিন বাবুৱে মনতে পাঙি-ছিল, মোৰ ওপৰত পুৰণি স্কোৱাৰৰ বোজা হেচি দিব!

**নবেম্বৰ ৯**

পুৱাতে শিৰপুৰত। ৬,০০০৲ টকা ভঙাই নন্দকিশোৰৰ হাতত দি ঝাড়সোগড়ালৈ পঠালো। মই তাক হাওড়া স্টেশ্যনত ৰাখি আহিলো। গধূলি কিশোৰী বাবুৰ লগত চোৰবাগানত নতুন গাড়ী চাবলৈ গ'লো। গধূলি কে. এন্. দাসে বেবিৰ আঙুলিটো চালেহি। তেওঁক ভিজিট দিলো।

**নবেম্বৰ ৩০**

আজি সকলো চাকৰক দৰ্মহা আদায় দিলো। বি. বৰুৱা ১০,০০০৲ টকা লৈ বিলাসপুৰলৈ গ'ল।

**ডিচেম্বৰ ৫**

চোবেৰাম দাবোৱান সাট্নালৈ গ'ল। মই তাৰ হাতত বেৱাৰ শিশু ৰাজ-কুমাৰৰ বাবে এযোৰ সোণৰ বালা দিলো। তাৰ কাৰণে বি. বৰুৱাই টেলিগ্ৰাম কৰিছিল। বালাযোৰ ৰুদ্ৰৰপৰা কালিয়নে আনিলো। দাম ১৩৫৲। চোবেৰামক ৰেলৰ খৰচ আদিৰ বাবে ২০৲ টকা দিলো।

**ডিচেম্বৰ ৬**

নন্দকিশোৰ সাটনাৰপৰা দুপৰীয়া বাৰ বজাত পালেহি। বি. বৰুৱাৰ পৰামৰ্শমতে স্টুৱাৰ্টে ১০,০০০৲ টকা দিবলৈ ৰাজী হৈও মোৰ হাতত টকা নিদিলে।

**ডিচেম্বৰ ৭**

বেঙ্গল বেঙ্কৰপৰা ১০,০০০৲ আনি নন্দকিশোৰৰ হাতত ঝাড়সোগড়ালৈ পঠালো। চোবেৰাম বোম্বে মেইলত সাটনাৰপৰা পালেহি।

**ডিচেম্বৰ ৮**

ই. আই. আৰৰ গাড়ী ডিপাৰ্টমেন্টৰ অৰ্ডাৰৰ ৪৪খন টিক পাছ হ'ল। মিস্টাৰ লেংগম আৰু লিফিভন আহিছিল। শিৱসাগৰৰ শ্ৰীনাথ হেডমাস্টৰৰ ল'ৰা অতুলচন্দ্ৰ গুহ আহি মোৰ লগত দেখা কৰিলে।

**ডিচেম্বৰ ১০**

পুৱা শিৱপুৰলৈ গ'লো। আকৌ দুপৰীয়া গ'লো। হাওড়া আদালতলৈ আৰু মিউনিচিপেলিটিলৈ গৈ মিত-মাত কৰিলো। মিউনিচিপেলিটিৰ ওভাৰ-ছিয়াৰে মোকৰ্দমাটো তুলি ল'লে। সেইটো এল্. ইন্ছপেক্টৰ দত্তই ৰুজু কৰি-ছিল। গণেশ বাবু ঝাড়সোগড়াৰপৰা আহি ঘৰলৈ গ'ল। মোৰ পালেং, মেজ, কাপোৰৰ আলমাৰি ঝাড়সোগড়ালৈ পেক্কৈ পঠালো। নন্দকিশোৰ ঝাড়সোগড়াৰ-পৰা উভতিল।

জানুৱাৰী ১

মিছেছ্ এল্. এন্. বি. আৰু মিছ এল্. এন্. বি. কালি মিস্টাৰ বি. বৰুৱাৰ লগত ঝাড়সোগড়ালৈ হাৱা বদলি কৰিবলৈ গ'ল। মই তেওঁলোকক স্টেশ্যনত আগ বঢ়াই থৈ আহিলো। চন্দ্ৰকুমাৰ আগৰৱালা আহি ৩৮ ডবছন ৰোডৰ মোৰ ঘৰত ৰ'লহি। অনাইঘৰীয়া বৰুৱাৰ নাতি চন্দ্ৰনাথ বেজবৰুৱাৰ ল'ৰা যতীন্দ্ৰনাথ বেজবৰুৱা আহি মোৰপৰা সাহায্য বিচাৰিছে। মই কলো, মোক এখন চাৰ্টিফিকেট দেখুৱাব লাগিব। তাৰ চৰিত্ৰ সম্পৰ্কে সি পাবনাৰ হেডমাস্টৰৰপৰা চাৰ্টিফিকেট আনিলেগৈ।

জানুৱাৰী ১০

বি. বৰুৱা ঝাড়সোগড়াৰপৰা পালেহি। বেঙ্গল বেঙ্কৰপৰা আজি ১০,০০০ টকা আনিলো। আজি জাৰ্ডিন স্কিনাৰে ১০,০০০ টকাৰ এখন চেক দিলে। বি. বৰুৱাই বেঙ্গল বেঙ্কত জমা দিলে।

জানুৱাৰী ১৪

বেঙ্গল বেঙ্কৰপৰা ২,০০০ টকা চিকা ৰূপ আনিলো।

জানুৱাৰী ১৬

পদুৱা বটু বাবুক ৫০০ টকা দিলো। আগৰ সকলো কোচমেন ছহিছ আদিক দৰ্মহা আদায় কৰি বিদায় দি নতুন এটা কোচমেন আৰু দুটা ছহিছ ৰাখিলো। বেঙ্গল বেঙ্কৰপৰা ১০,০০০ টকা আনিলো।

জানুৱাৰী ১৮

জাৰ্ডিন স্কিনাৰে দিয়া বেঙ্গল বেঙ্কৰ ১০,০০০ টকাৰ চেকখন বেঙ্গল বেঙ্কত জমা দিলো। বটু বাবুৰ হাতত ৫,০০০ টকা ভঙাই দি পঠালো। কিশোৰী বাবু লক্ষ্ণৌলৈ গ'ল জাৰ্ডিন স্কিনাৰৰ পক্ষৰপৰা টিকৰ টেণ্ডাৰ পাছ কৰাবলৈ।

জানুৱাৰী ১৯

ডাক্তৰ প্ৰাণকৃষ্ণ আচাৰ্যই ১,৫০০, টকা মোক দিলে এ. কে. ৰায়ৰ হিছাপত টকা আৰু নোটত।

জানুৱাৰী ২০

বেঙ্গল বেঙ্কত সেই ১,৫০০, টকা জমা দিলো। ই. বি. এছ্. আৰৰপৰা ৩,৭২৯, টকাৰ চেক পাই নেশ্যনেল বেঙ্কত জমা দিলো টিকৰ হিছাপত। ৰাতি গোৱালন্দ মেইলত মিস্টাৰ চন্দ্ৰকুমাৰ আগৰৱালা মোক এৰি অসমলৈ গ'ল। মই তেওঁক স্টেশ্যনলৈ গৈ বিদায় দিলো।

জানুৱাৰী ২২

টিকৰ হিছাপত জাৰ্ডিনক ১০,০০০, টকা দিলো।

জানুৱাৰী ২৫

মই ১৫,০০০, টকা লৈ ঝাড়সোগড়ালৈ যাত্ৰা কৰি ৰাৰ বজাত পালোগৈ। মোৰ পত্নী আৰু বেবি ভালেই আছে, দেখিলো।

জানুৱাৰী ২৬

ঝাড়সোগড়াতে আছো।

জানুৱাৰী ২৭

ঝাড়সোগড়াৰপৰা মোৰ পত্নী আৰু বেবিক লৈ সম্বলপুৰলৈ গ'লো। মিস্টাৰ জে. এন্. সেনৰ তাত থাকিলো। তেওঁলোকে আমাক বৰ আদৰ-সাদৰ কৰি ৰাখিলে। আবেলি মিস্টাৰ সেন আৰু আন দুজন ভদ্ৰলোকেৰে সৈতে টেনিছ খেলিলো। মই বৰ বেয়া খেলিলো। ন মাটিত একো খেলিব নোৱাৰিলো। নামজুৰি পাহাৰলৈ মিস্টাৰ সেনৰ টঙ্গাত উঠি ফুৰিবলৈ গ'লো। কিছু দূৰ খোজো কাঢ়িলে। আন্ধাৰ হ'লতহে সেন আৰু মোৰ পৰিয়ালৰ লগত ঘূৰি আহিলো। আহোঁতে বাটত এ. কে. ৰায় আৰু ৰামাপদক দেখা দি আহিলো।

জানুৱাৰী ২৮

মিস্টাৰ সেনৰ লগত পুৱাতে মহানদীৰ পাৰত ফুৰিবলৈ গ'লো। চাহ খাই মই আৰু প্ৰজ্ঞা মিস্টাৰ সেনৰ লগত টঙ্গাত উঠি সম্বলপুৰ ছহৰখন চাবলৈ গ'লো। তাত tower-অত উঠি দুৰ্গৰ চাৰিওফালৰ গড় আৰু মন্দিৰবোৰ চালো। মিস্টাৰ আৰু মিছেছ সেনে থাকিবৰ কাৰণে বৰকৈ কাকুতি

কৰিলে। কিন্তু গোপী বাবুৱে বি. বৰুৱাৰ এখন চিঠি লগত জুটি দি লেখিছে, আমি কলিকতালৈ ঘুৰিব লাগে ২০,০০০৲ টকা পঠাবলৈ। আমি আবেলি সম্বলপুৰ এৰি গধূলি ঝাড়সোগড়া পালোগৈ। ৰাতি ৯ বজাত ঝাড়সোগড়া স্টেশ্যনলৈ গ'লো। মই দ্বিতীয় শ্ৰেণীৰ গাড়ীত উঠিছো। এনেতে হঠাত পেণ্ড্ৰাৰপৰা বি. বৰুৱাৰ এখন তাঁৰ পালো, ঝাড়সোগড়াত তেওঁৰ বাবে অপেক্ষা কৰিব লাগিব। এই বাবে আকৌ ঘৰলৈ উভতিলো।

জানুৱাৰী ২৯

আবেলি বৰুৱা আহিল। ময়ো থাকিলো ইয়াতে।

জানুৱাৰী ৩০

ৰাতি মেইলত হাওড়াৰ গাড়ীত উঠিলো।

জানুৱাৰী ৩১

পুৱা নিৰাপদে হাওড়া পালো। বেংগল বেঙ্কৰপৰা ৬,০০০৲ টকা আনিলো। শাল স্লিপাৰৰ হিছাপত জাৰ্ডিন স্কিনাৰে ১৫,০০০৲ টকাৰ এখন চেক দিলে। শিয়ালদহলৈ গৈ তেওঁলোকৰ চেকৰ অনুসন্ধান কৰিলো।

ফেব্ৰুৱাৰী ১

পান্নালালৰ হাতত ৬,০০০৲ টকা ঝাড়সোগড়ালৈ পঠালো। ১,৫০০৲ টকা বেংগল বেঙ্কত জমা দিলো। এই টকা কালি জাৰ্ডিনৰপৰা পাইছিলো। মিস্টাৰ সুকুমাৰ ৰায় বাৰ্-এট্-লক মিস্টাৰ এ. চৌধুৰীৰে মুলাকাত কৰাবলৈ লৈ গ'লো। কিন্তু সিজন ঘৰত নাছিল। মাথোন দিদিৰ লগত দেখা হ'ল।

ফেব্ৰুৱাৰী ২

বি. বৰুৱা পুৱাতে ঝাড়সোগড়াৰপৰা পালেহি। ৰাতিপুৱা মই কিশোৰী বাবুৰ লগত ওলাই গৈছিলো। মিস্টাৰ কীটিঙক আমাৰ আৰু জাৰ্ডিন স্কিনাৰৰ টিম্বাৰ বেলেগকৈ দেখুৱালো। মোৰ সৰু ঘোঁৰাটো গাৰ্ডন ৰিচৰ মিস্টাৰ টেইলাৰক গতাই দি আহিলো। ছহিছে ঘূৰাই আনিলে।

ফেব্ৰুৱাৰী ৫

বেংগল বেঙ্কৰপৰা ১২৩ নম্বৰী চেক আনি বি. বৰুৱাক দিলো। তেওঁক সেই চেকৰ টকা লাগে।